সময়ৰ ভিতৰত সাংসদসকলে এই সুবিধাটো গ্ৰহণ কৰে। অৰ্থাৎ এই সময়ত সাংসদে কোনো এটা বিষয় অধিক গুৰুত্বপূৰ্ণ বুলি ভাবিলে তেওঁ সেই বিষয়টো সংসদৰ মজিয়াত উত্থাপন কৰিব পাৰে। সঞ্জীৱা ৰেড্ডি লোকসভাৰ অধ্যক্ষ হৈ থাকোতে 'আক্ৰমণ বেলা'ই প্ৰাধান্য লাভ কৰে। এই সময়ত সাধাৰণতে আন্দোলন, বন্ধ, দুৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ আদি বিষয়ে স্থান পায়।

**চ) সভা স্থগিত প্ৰস্তাৱ (Adjourn Motion) ঃ** প্ৰশাসনৰ ওপৰত বিধানমণ্ডলৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ আন এক উপায় হ'ল সভা স্থগিত প্ৰস্তাৱ। কেতিয়াবা কিছুমান পৰিস্থিতি সৃষ্টি হ'লে প্ৰয়োজনসাপেক্ষে সংসদে সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিব পাৰে আৰু এনে প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনাৰ জৰিয়তে বিধানমণ্ডলে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ চলোৱাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। কিন্তু সভা স্থগিত হ'ব নে নহয় এই সিদ্ধান্ত অধ্যক্ষহে ল'ব পাৰে।

**ছ) বিতৰ্ক আৰু আলোচনা (Debate and Discussion) ঃ** বিতৰ্ক আৰু আলোচনাৰ মাধ্যমেৰেও বিধানমণ্ডলে প্ৰশাসনক নিয়ন্ত্ৰণ কৰিব পাৰে। ৰাষ্ট্ৰপতিৰ ভাষণ তথা অন্যান্য বিষয়ৰ ওপৰত বিধানমণ্ডলৰ সদস্যসকলে বিতৰ্ক আৰু আলোচনাত ভাগ ল'ব পাৰে আৰু চৰকাৰৰ বিভিন্ন দোষ-ত্ৰুটিসমূহৰ বিষয়ে উদঙাই দি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে। আৰু এই আলোচনা বা বিতৰ্কৰ বিষয়ে জনসাধাৰণে অতি আগ্ৰহেৰে জানিব বিচাৰে। এনে হোৱাৰ পৰিপ্ৰেক্ষিতত জনমত গঠন হয়; আৰু জনমত গঠনৰ দ্বাৰা প্ৰশাসন ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে।

**জ) অনাস্থা প্ৰস্তাৱ (No Confidence Motion) ঃ** সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাত মন্ত্ৰীসভা লোকসভাৰ ওচৰত দায়বদ্ধ থাকে। সেয়ে মন্ত্ৰীসভাৰ বিৰুদ্ধে লোকসভাৰ মজিয়াত অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰে। এই অনাস্থা প্ৰস্তাৱক নিন্দাসূচক প্ৰস্তাৱ বুলিও কোৱা হয়। চৰকাৰৰ বিৰুদ্ধে বিভিন্ন কাৰণত অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিব পৰা যায়। উদাহৰণস্বৰূপে, দক্ষতাৰে চৰকাৰে প্ৰশাসন কাৰ্য পৰিচালনা কৰিব নোৱাৰিলে, আভ্যন্তৰীণ শান্তি-শৃংখলা ৰক্ষা কৰাত ব্যৰ্থ হ'লে বা চৰকাৰী নীতি কাৰ্যকৰী কৰিব নোৱাৰিলে চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। যদি কোনো চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰা হয় সেই চৰকাৰৰ ক্ষমতাত থকাৰ কোনো অধিকাৰ নাথাকে। এনেবোৰ কাৰণৰ জৰিয়তেও বিধানমণ্ডলে প্ৰশাসন ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে।

**ঝ) সংসদীয় সমিতি (Parliamentary Committees) ঃ** বিভিন্ন সংসদীয় সমিতিসমূহৰ জৰিয়তেও প্ৰশাসন ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে।



Scanned with CamScanner

নিয়ন্ত্ৰণ চলোৱাৰ নিচিনা আমেৰিকা যুক্তৰাষ্ট্ৰত বিধানমণ্ডলে কাৰ্যপালিকাৰ ওপৰত নিয়ন্ত্ৰণ চলাব নোৱাৰে। আভ্যন্তৰীণ নিয়ন্ত্ৰণ প্ৰশাসনীয় যন্ত্ৰৰ লগত জড়িত থাকে; গতিকে দৈনন্দিন প্ৰশাসন চলোৱাৰ লগে লগে এই নিয়ন্ত্ৰণক সাব্যস্ত কৰিব পাৰি। ওপৰত এই দুইধৰণৰ নিয়ন্ত্ৰণক বিভিন্ন ৰূপত দেখিলেও ইয়াৰ এটাক আনটো নিয়ন্ত্ৰণৰ বিপৰীত বুলি ক'ব নোৱাৰি। বৰঞ্চ এটা নিয়ন্ত্ৰণ আনটোৰ পৰিপূৰক বুলিহে উল্লেখ কৰিব পাৰি। প্ৰশাসনীয় যন্ত্ৰই দক্ষতাৰে কাৰ্য সম্পাদন কৰিবলৈ হ'লে এই দুইধৰণৰ নিয়ন্ত্ৰণৰ প্ৰয়োজন হয়। বিধানমণ্ডল, কাৰ্যপালিকা, ন্যায়পালিকা আৰু জনসাধাৰণৰ জৰিয়তে বাহ্যিক নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰি।

ওপৰৰ আলোচনাসমূহৰ পৰা নিয়ন্ত্ৰণৰ আৱশ্যকতা অনুভৱ কৰিব পৰা গৈছে। কিয়নো বৰ্তমান সময়ত আধুনিক ৰাষ্ট্ৰসমূহত অসামৰিক বিষয়া-কৰ্মচাৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তদুপৰি তেওঁলোকে চৰকাৰী নীতি প্ৰস্তুত কৰোতে গুৰুত্বপূৰ্ণ ভূমিকা লয়। বৰ্তমান সময় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। এনে সময়ত প্ৰশাসনীয় কাম-কাজসমূহ অতি কাৰিকৰী হৈ পৰিছে। গতিকে এনে সকলোবোৰ মুহূৰ্তত অসামৰিক সেৱাৰ লোকসকল অভিজ্ঞ হোৱাৰ বাবে চৰকাৰী নীতি প্ৰস্তুত কৰোতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলীয়া হয়। সেয়ে এই বিষয়াসকলক নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা থকাটো অপৰিহাৰ্য। অন্যথা তেওঁলোক স্বেচ্ছাচাৰী বা দুৰ্নীতিপৰায়ণ হোৱাটো স্বাভাৱিক। গতিকে প্ৰশাসন ব্যৱস্থাত নিয়ন্ত্ৰণ থকাটো অপৰিহাৰ্য।

### বিধানমণ্ডলৰ নিয়ন্ত্ৰণ (Legislative Control) ঃ

সংসদ বা বিধানমণ্ডলৰ নিয়ন্ত্ৰণ এক ৰাজনৈতিক নিয়ন্ত্ৰণ। শাসন ব্যৱস্থা সংসদপ্ৰধানেই হওক বা ৰাষ্ট্ৰপতিপ্ৰধানেই হওক সকলো শাসন ব্যৱস্থাৰ ওপৰতে বিধানমণ্ডলৰ নিয়ন্ত্ৰণ থকা উচিত। প্ৰশাসনৰ মূল উদ্দেশ্যসমূহ সংসদ বা বিধানমণ্ডলে নিৰ্ণয় কৰি দিয়ে। প্ৰশাসনীয় কাৰ্যাৱলী যাতে ৰাষ্ট্ৰৰ উদ্দেশ্যমুখী হয় তাৰ প্ৰতি বিধিগত ব্যৱস্থা লোৱাই এই নিয়ন্ত্ৰণৰ প্ৰাথমিক উদ্দেশ্য। সংসদীয় গণতন্ত্ৰৰ এক অন্যতম বৈশিষ্ট্য হৈছে বিধানমণ্ডলৰ ওচৰত কাৰ্যপালিকাৰ দায়বদ্ধতা। সেয়ে কাৰ্যপালিকাই নিজৰ ইচ্ছামতে দায়িত্বহীনভাৱে কাৰ্যনিৰ্বাহ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে গ্ৰেট ব্ৰিটেইনত বা ভাৰতবৰ্ষৰ নিচিনা দেশত এনে নিয়ন্ত্ৰণৰ গুৰুত্ব বেছি। এই দেশসমূহত প্ৰচলিত সংসদীয় গণতন্ত্ৰত জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত বিধানমণ্ডলে মন্ত্ৰীৰ জৰিয়তে আমোলাসকলৰ ওপৰত নিয়ন্ত্ৰণ চলায়। তদুপৰি এনে ৰাষ্ট্ৰত যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানে আইনসভাৰ পৰাই কৰ্তৃত্ব লাভ কৰে। এনেধৰণৰ ৰাষ্ট্ৰত অসামৰিক বিষয়াৰ সকলো কাম-কাজৰ বাবে

থকা সময়ত প্ৰতিদিনেই এঘণ্টা সময় অধিৱেশনৰ আৰম্ভণিতে প্ৰশ্নোত্তৰৰ বাবে ধাৰ্য কৰা হয়। সংসদীয় ব্যৱস্থাত মন্ত্ৰীসকল বিধানমণ্ডলৰ সদস্য আৰু তেওঁলোক সদনত উপস্থিত থাকিব লাগে আৰু সদনৰ মজিয়াত সংসদৰ সদস্যই সোধা প্ৰশ্নৰ উত্তৰ দিব লাগে। প্ৰশাসন পৰিচালনা কৰিবৰ বাবে সদস্যসকলে বিভাগীয় মন্ত্ৰীক প্ৰশ্ন কৰিব পাৰে আৰু যদি মন্ত্ৰীসকলে এনে প্ৰশ্নৰ যথাযথ উত্তৰ দিব নোৱাৰে, তেতিয়া সেই মন্ত্ৰীজনৰ অদক্ষতা প্ৰকাশ পায়। অৱশ্যে তেওঁ বিভাগত ঘটা সকলো ঘটনাৰ বিষয়ে অৱগত নহ'বও পাৰে। মন্ত্ৰীসকলে যথাযথ উত্তৰ দিব লাগে যদিও প্ৰকৃততে এই প্ৰশ্নসমূহৰ উত্তৰবিলাক বিভাগীয় উচ্চপদস্থ কৰ্মচাৰীয়ে মন্ত্ৰীক যোগাৰ কৰি দিয়ে আৰু সচিবে দাখিল কৰা তথ্য-পাতিৰ ভিত্তিত মন্ত্ৰীয়ে সদস্যৰ প্ৰশ্নৰ উত্তৰ দিয়ে। সাধাৰণতে মন্ত্ৰীসকল দৈনন্দিন প্ৰশাসনৰ লগত সক্ৰিয়ভাৱে জড়িত নহয়। সাধাৰণতে প্ৰতিদিনে গড়ে ৩০টা মৌখিক প্ৰশ্ন সোধা হয়। প্ৰতিটো প্ৰশ্নৰ পৰিপূৰক প্ৰশ্ন সোধা হয়। ইয়াৰে কিছুমান প্ৰশ্ন লোকসভাৰ অধ্যক্ষই নাকচ কৰিব পাৰে। এই প্ৰশ্নসমূহৰ জৰিয়তে সদনত জনসাধাৰণৰ অভাৱ-অভিযোগ আদি উত্থাপন কৰিব পৰা যায় আৰু এনে অভাৱ-অভিযোগ পূৰণৰ কাৰণে মন্ত্ৰীৰ পৰা আশ্বাস পোৱাৰ সম্ভাৱনা থাকে। তদুপৰি প্ৰশ্নৰ জৰিয়তে প্ৰশাসন সম্পৰ্কে বিভাগীয় মন্ত্ৰীৰ পৰা তথ্য-পাতি বাহিৰ কৰিব পৰা যায়। এনে প্ৰশ্নসমূহে বহু সময়ত মন্ত্ৰীসকলক বিপদত পেলায়। গতিকে এই সময়ছোৱাত লোক প্ৰশাসনক অধিক সাৱধান আৰু চয়াতুৰ কৰি তোলে। মন্ত্ৰীয়ে প্ৰশ্নবানৰ সন্মুখীন হ'লে বিভাগীয় সচিবৰ ভয় অধিক বাঢ়ে। এই বিষয়ে আলোচনা কৰোতে হিউজ গেইটস্কিলৰ কথা ক'ব বিচাৰিছো। তেওঁৰ মতে, 'অসামৰিক সেৱাৰ লোক হিচাপে চাকৰি কৰা যিকোনো ব্যক্তিয়ে নিশ্চয় মোৰ লগত একমত হ'ব যে সংসদত উত্থাপন কৰা প্ৰশ্নবাণেহে তেওঁলোকক সাৱধান আৰু যত্নৱান হ'বলৈ আৰু বিভাগীয় তথ্য-পাতি যত্নসহকাৰে ৰাখিবলৈ বাধ্য কৰে।'

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে প্ৰশ্নৰ জৰিয়তে প্ৰশাসনৰ ওপৰত সংসদে নিয়ন্ত্ৰণ কৰিব পাৰে। তদুপৰি প্ৰশ্নৰ জৰিয়তে চৰকাৰী ক্ষমতাৰ অপব্যৱহাৰক বাধা দিব পাৰি। লৱেল (Lowell)-ৰ মতে, প্ৰশ্নৰ জৰিয়তে প্ৰশাসনক নিৰ্দিষ্ট মানদণ্ডত ৰখাৰ উপৰিও প্ৰশাসনৰ আমোলাতান্ত্ৰিক স্বভাৱ গঢ়ি উঠাত বাধা দিব পাৰি।

**ঙ) আক্ৰমণ বেলা (Zero Hour) ঃ** ১৯৬২ চনৰ পৰা কাৰ্যপালিকা নিয়ন্ত্ৰণৰ বাবে আক্ৰমণ বেলা বা Zero Hour —এই ব্যৱস্থাটো সৃষ্টি হয়। এই Zero Hour বুলি ক'লে প্ৰশ্নোত্তৰ কাল আৰু আলোচনা আৰম্ভ হোৱাৰ মাজৰ

তেওঁ নিজে সেই ক্ষমতা প্ৰয়োগ নকৰে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত গঠিত হোৱা মন্ত্ৰীসভাই কাৰ্যপালিকাৰ ক্ষমতা প্ৰয়োগ কৰে। সেয়ে এনে শাসন ব্যৱস্থাত ৰাষ্ট্ৰপ্ৰধানক নামমাত্ৰ কাৰ্যপালিকা আৰু প্ৰধানমন্ত্ৰীৰ নেতৃত্বত গঠিত হোৱা মন্ত্ৰীসভাক প্ৰকৃত কাৰ্যপালিকা বোলা হয়। কাৰ্যপালিকাৰ নিয়ন্ত্ৰণৰ উপায়সমূহ তলত উল্লেখ কৰা হ'ল—

**ক) ৰাজনৈতিক নিয়ন্ত্ৰণ (Political Control) ঃ** মন্ত্ৰী এজনক এটা নাইবা ততোধিক বিভাগৰ দায়িত্ব দিয়া হয়। এনে বিভাগসমূহৰ ওপৰত বিভাগীয় নিয়ন্ত্ৰণ থাকে। নিজৰ বিভাগৰ সকলো কাৰ্য সম্পাদন কৰিবৰ বাবে মন্ত্ৰীয়ে তেওঁৰ বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীকে নিৰ্দেশ, নিয়ন্ত্ৰণ বা পৰ্যবেক্ষণ কৰিব পাৰে আৰু এই কৰ্মচাৰীসকলে সেই উদ্দেশ্যে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিভাগৰ কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত মন্ত্ৰীৰ অনুমোদন অবিহনে গ্ৰহণ কৰিব নোৱাৰে। তদুপৰি মন্ত্ৰীজনে ইচ্ছা কৰিলে সকলো ক্ষমতা নিজৰ হাতলৈ আনি সচিবজনক ক্ষমতাহীন কৰি থ'ব পাৰে। প্ৰয়োজনসাপেক্ষে মন্ত্ৰীয়ে কোনো কৰ্মচাৰীক এটা শাখাৰ পৰা আন এটা শাখালৈ বদলি কৰিব পাৰে আৰু বেলেগধৰণৰ দায়িত্বও দিব পাৰে। গতিকে বিভাগৰ কৰ্মচাৰীসকল সম্পূৰ্ণৰূপে মন্ত্ৰীজনৰ ওচৰত দায়বদ্ধ হৈ থাকে আৰু মন্ত্ৰীয়ে তেওঁলোকৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে।

ওপৰৰ কথাখিনি সত্য হ'লেও কিন্তু বাস্তৱ ক্ষেত্ৰত প্ৰশাসনেও মন্ত্ৰীসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। প্ৰশাসকসকল বহু দিন ধৰি প্ৰশাসন ব্যৱস্থাৰ লগত জড়িত হৈ থকাৰ ফলত তেওঁলোক অভিজ্ঞ আৰু দক্ষ হৈ উঠে। তদুপৰি এই লোকসকলক প্ৰশিক্ষণও দিয়া হয়। এই অসামৰিক সেৱাৰ লোকসকলে নীতি-নিৰ্ধাৰণৰ কাৰণে দৰকাৰী তথ্য-পাতি মন্ত্ৰীক দাখিল কৰে। অৰ্থাৎ মন্ত্ৰীয়ে তেওঁৰ তলতীয়া কৰ্মচাৰীসকলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এইক্ষেত্ৰত বহু সময়ত মন্ত্ৰীজনৰ ৰাজনৈতিক অৱস্থিতিৰ ওপৰত নিয়ন্ত্ৰণ ব্যৱস্থাটো নিৰ্ভৰ হয়। অৰ্থাৎ যিজন মন্ত্ৰী প্ৰধানমন্ত্ৰীৰ আস্থাভাজন হয় বা প্ৰধানমন্ত্ৰীৰ বিশ্বাস থাকে আৰু দলীয় ৰাজনীতিত গুৰুতপূৰ্ণ স্থান অধিকাৰ কৰি থাকে সেই মন্ত্ৰীজনে সহজে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ চলাব পাৰে। কিন্তু যিজন মন্ত্ৰী দলীয় ৰাজনীতিত কম গুৰুত্বপূৰ্ণ স্থানত থাকে সেই মন্ত্ৰীজনে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ চলোৱাত অসুবিধাৰ সন্মুখীন হয়। সেয়ে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰা বিষয়টোৰ লগত ৰাজনৈতিক অৱস্থিতিৰ ধাৰণাটো জড়িত আছে।

**খ) বাজেট পদ্ধতি (Budget System) ঃ** কাৰ্যপালিকাই প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ কৰাৰ এক অন্য প্ৰধান আহিলা হ'ল বাজেট ব্যৱস্থা। প্ৰত্যেক বছৰতে বাজেট গ্ৰহণ কৰা হয়। এই বাজেট গ্ৰহণ কৰোতে বাজেটখন বিধানমণ্ডলত উত্থাপন

প্ৰস্তুত কৰে। বিধানমণ্ডলে এই আইন ৰচনা কৰি কাৰ্যকৰী কৰাৰ উদ্দেশ্যে দৰকাৰী নীতি-নিয়ম ৰচনা কৰাৰ দায়িত্ব বিভাগীয় মন্ত্ৰীৰ ওপৰত দিয়ে। এই নিয়মক প্ৰতিনিধিযুক্ত বিধান (Delegated Legislation) বোলা হয়। গতিকে কাৰ্যপালিকাই প্ৰস্তুত কৰা নীতি-নিয়মৰ ক্ষমতা সাধাৰণ আইনৰ নিচিনাই হয়। ইয়াৰ উপৰি বিভাগীয় মন্ত্ৰীয়ে আইন কাৰ্যকৰী কৰাৰ সময়ত মানি চলিবলগা নীতি-নিয়মসমূহ নিৰ্ধাৰণ কৰি দি প্ৰশাসনক নিয়ন্ত্ৰণ কৰিব পাৰে।

**ঙ) নিৰ্বাচকমণ্ডলীৰ নিয়ন্ত্ৰণ (Control by the Electorate) ঃ** নিৰ্বাচকমণ্ডলীয়ে কাৰ্যপালিকাৰ জৰিয়তে প্ৰশাসনক নিয়ন্ত্ৰণ কৰিব পাৰে। গণতান্ত্ৰিক দেশৰ এক বৈশিষ্ট্য হ'ল নিকা নিৰ্বাচন অনুষ্ঠিত কৰা। গতিকে নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে গণতান্ত্ৰিক দেশত নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্বাচনত যিটো দলে জয়লাভ কৰে সেই দলেই চৰকাৰ গঠনৰ সুবিধা লাভ কৰে। সেয়ে প্ৰত্যেকটো দলে জনসাধাৰণৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিব লাগে। অন্যথা পিচৰ নিৰ্বাচনত পৰাজয় হোৱাটো নিশ্চিত। অৰ্থাৎ জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰা কোনো চৰকাৰেই জয়লাভ হ'ব নোৱাৰে। ভোটাৰ ৰাইজৰ দাবীৰ ভিত্তিত কাৰ্যপালিকাই প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে। উপক্ৰম (Initiative), গণনিৰ্দেশ (Referendum), প্ৰত্যাহ্বান আদিৰ মাধ্যমেৰেও নিৰ্বাচকমণ্ডলীয়ে চৰকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

ওপৰৰ আলোচনাসমূহৰ পৰা কাৰ্যপালিকাই প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ কৰাৰ উপায়সমূহৰ বিষয়ে আভাষ পোৱা যায়। অধ্যাপক নিগ্ৰ'ৰ মতে, কাৰ্যপালিকাৰ নিয়ন্ত্ৰণেই হৈছে প্ৰশাসনক নিয়ন্ত্ৰণ কৰাৰ উত্তম উপায়। কাৰ্যপালিকাই প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ অধিক ফলপ্ৰসূ কৰিবৰ বাবে তলত দিয়া বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন—

ক) কাৰ্যপালিকাই প্ৰণয়ন কৰা আইনে যাতে প্ৰশাসন ব্যৱস্থাত বিৰূপ প্ৰভাৱ পেলাব নোৱাৰে এই বিষয়টোত কাৰ্যপালিকাই আইন প্ৰণয়ন কৰাৰ সময়ত গুৰুত্ব দিব লাগে। ইয়াৰ উপৰি কাৰ্যপালিকাই বিষয়া-কৰ্মচাৰীসকলক কেৱল আদেশ দিয়াৰ পৰিবৰ্তে প্ৰয়োজনসাপেক্ষে পৰামৰ্শ বিচাৰিলেহে সঠিকভাৱে নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পৰা যায়।

খ) প্ৰশাসনীয় ব্যৱস্থাই আইন ভংগকাৰীক কঠোৰ শাস্তি বিহাৰ লগতে সৎ আৰু নিঃস্বাৰ্থ বিষয়া-কৰ্মচাৰীক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

গ) মন্ত্ৰী আৰু উচ্চপদস্থ বিষয়া-কৰ্মচাৰীসকলৰ মাজত বুজাবুজি থাকিব লাগে আৰু কাৰ্যপালিকাই গ্ৰহণ কৰা মতামতসমূহ বিষয়াসকলে গ্ৰহণ কৰিবলৈ



Scanned with CamScanner

ধনে চৰকাৰী হিচাপ সমিতি (Public Accounts Committee), প্ৰকল্প সমিতি (Estimates Committee), চৰকাৰী নিগম সমিতি (Committee on Public Undertaking) আদি বিভিন্ন সমিতিৰ জৰিয়তে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পৰা যায়; কিয়নো এই সমিতিৰ সদস্যসকলক বিধানমণ্ডলৰ সদস্যসকলৰ মাজৰ পৰা বাছনি কৰা হয়।

## বিধায়িনী নিয়ন্ত্ৰণৰ মূল্যায়ন (Evaluation of Legislative Control) ঃ

আমি আগৰ আলোচনাত বিধানমণ্ডলে প্ৰশাসন ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ বিভিন্ন উপায়সমূহৰ বিষয়ে আলোচনা কৰিছো। বিধানমণ্ডলৰ ওচৰত কাৰ্যপালিকাৰ দায়বদ্ধতাই হৈছে সংসদীয় গণতন্ত্ৰৰ প্ৰধান বৈশিষ্ট্য। সেয়ে এনে হোৱাৰ পৰিপ্ৰেক্ষিতত কাৰ্যপালিকাই দায়িত্বহীন হিচাপে কাৰ্যনিৰ্বাহ কৰিব নোৱাৰে। কিন্তু সংসদীয় গণতন্ত্ৰৰ বহুতো দুৰ্বলতা পৰিলক্ষিত হয়। যাৰ ফলত বিধানমণ্ডলে কাৰ্যপালিকাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাত সফল হ'ব পৰা নাই। তলত বিধানমণ্ডলৰ নিয়ন্ত্ৰণ অসফল হোৱাৰ কাৰণসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল।

ক) বিধানমণ্ডলৰ সদস্যসংখ্যা যথেষ্ট বেছি। সেয়ে বিধানমণ্ডলৰ আকৃতি ডাঙৰ হয়। বৰ্তমান আমাৰ দেশৰ কথাকে ক'ব পাৰি। আমাৰ দেশত লোকসভাৰ সদস্যসংখ্যা হ'ল ৫৪৭ জন আৰু ৰাজ্যসভাৰ সদস্যসংখ্যা ২৫০ জন। গতিকে সংসদৰ আকৃতি ডাঙৰ হোৱাৰ বাবে সদস্যসকলে কোনো এটা বিষয় আলোচনা কৰি প্ৰশাসন ব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব নোৱাৰে।

খ) বাজেট নিৰ্ধাৰণৰ জৰিয়তে বিধানমণ্ডলে প্ৰশাসন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰা ... মন্ত্ৰীসভাৰ নেতৃত্বত বাজেট প্ৰস্তুত

Scanned with CamScanner

...পালিকাই বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হৈ থাকে।

গণতান্ত্ৰিক শাসন ব্যৱস্থাত চৰকাৰৰ তিনিওটা অংগৰে নিজস্ব কাৰ্য সম্পাদন ...ৰ ক্ষমতা থাকে। ইয়াৰ ভিতৰত বিশেষকৈ সংসদীয় গণতন্ত্ৰত ৰাষ্ট্ৰৰ সকলো ...ৰ মূল উৎস হৈছে বিধানমণ্ডল। বিধানমণ্ডলেই চৰকাৰী নীতি, কৰ্ম আঁচনি, ...শাসনীয় সংগঠনৰ প্ৰকৃতি, কৰ্ম পদ্ধতি আদি ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু ...ই কাৰ্য ৰূপায়ণৰ ক্ষেত্ৰত প্ৰশাসকসকল সংসদৰ ওচৰত দায়বদ্ধ হয়। অৱশ্যে ...শাসন বিধানমণ্ডলৰ ওচৰত পৰোক্ষভাৱে দায়বদ্ধ হয়। কোনো বিষয়া-কৰ্মচাৰীক ...বিধানমণ্ডলৰ মজিয়ালৈ মাতি আনি দায়বদ্ধতা কাৰ্যকৰী কৰিব নোৱাৰি। বিষয়া-কৰ্মচাৰীসকলৰ বাবে এনে দায়বদ্ধতা বিভাগীয় মন্ত্ৰীসকলে বহন কৰে। অৰ্থাৎ সংশ্লিষ্ট মন্ত্ৰীৰ জৰিয়তেহে তেওঁলোক বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হৈ থাকে। গতিকে বিধানমণ্ডলৰ নিয়ন্ত্ৰণক পৰোক্ষ নিয়ন্ত্ৰণ বোলা হয়; কাৰণ বিভাগীয় মন্ত্ৰীৰ জৰিয়তেহে এই নিয়ন্ত্ৰণ সাব্যস্ত কৰা হয়। এইক্ষেত্ৰত আমি হাৰ্বাট মৰিছনৰ কথা ক'ব বিচাৰো। তেওঁৰ মতে, চৰকাৰী কামৰ কাৰণে বিধানমণ্ডল আৰু জনসাধাৰণৰ ওচৰত কোনো ব্যক্তি নিশ্চয় দায়বদ্ধ হ'ব লাগিব আৰু এই ব্যক্তি হ'ব মন্ত্ৰীসকল; কিয়নো বিধানমণ্ডল নাইবা জনসাধাৰণৰ অসামৰিক সেৱাৰ লোকৰ উপৰত প্ৰত্যক্ষ নিয়ন্ত্ৰণ নাথাকে।

আমি আগতেই উল্লেখ কৰিছো যে ৰাষ্ট্ৰৰ বিভিন্ন কাৰ্য সুকলমে সম্পাদন কৰিবৰ বাবে বিধানমণ্ডলে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। গতিকে প্ৰয়োজনসাপেক্ষে বিভিন্ন সময়ত নিৰ্দেশ জাৰি কৰা, পৰ্যবেক্ষণৰ ব্যৱস্থা কৰা, প্ৰশাসনীয় ক্ষমতাৰ সাল-সলনি কৰা আদি ক্ষমতা সংসদক দিয়া হৈছে। তদুপৰি প্ৰচলিত আইন সংশোধন তথা নতুন আইন প্ৰণয়ন কৰাৰ ক্ষমতাও লাভ কৰে। প্ৰশাসন ব্যৱস্থাত বিধানমণ্ডলে বিভিন্ন উপায়ে নিয়ন্ত্ৰণ চলাব পাৰে। তলত কেইটামান উপায়ৰ বিষয়ে উল্লেখ কৰা হ'ল—

**ক) ৰাষ্ট্ৰপতিৰ ভাষণ (Presidential Speech) ঃ** ৰাষ্ট্ৰপতিক সংসদৰ অধিৱেশনত এক অংগ বুলি ক'ব পাৰি। প্ৰত্যেক বছৰে অনুষ্ঠিত হোৱা সংসদৰ অধিৱেশনৰ ... ৰাষ্ট্ৰপতিয়ে ভাষণ প্ৰদান কৰে। ৰাষ্ট্ৰপতিৰ ভাষণেৰে অধিৱেশনৰ শুভাৰম্ভণি হয় ... ৰাষ্ট্ৰপতিৰ ভাষণত প্ৰশাসন পৰিচালনাৰ বাবে প্ৰয়োজনীয় আঁচনিসমূহৰ আভা... পোৱা যায়। তেওঁৰ ভাষণত প্ৰতিফলিত হোৱা বিভিন্ন কাৰ্য, নীতি বা আঁচনিসমূ... সম্পৰ্কত সংসদৰ মজিয়াত আলোচনা হয়। কোনবোৰ বিষয়ত অধিক গুৰুত্ব দি... ... কম গুৰুত্ব দিয়া হৈছে এই বিষয়ে মজিয়াত আলো...

কৰিব পাৰে। তলত কিছুমান উপায়ৰ বিষয়ে উল্লেখ কৰা হ'ল—

ক) বিধানমণ্ডলে আইনৰ যোগেদি প্ৰশাসনীয় কৰ্তৃপৰ গঠন, দায়িত্ব, কৰ্তব্য, ক্ষমতা আদি সম্পৰ্কে নিৰ্দিষ্ট কৰি দিব পাৰে।

খ) প্ৰশাসন ব্যৱস্থাত বহু সময়ত শোষণ, দুৰ্নীতি আদি নানা সমস্যাৰ সৃষ্টি হয়। এনে সমস্যাসমূহৰ অনুসন্ধানৰ বাবে বিধানমণ্ডলে কিছুমান সমিতি নিয়োগ কৰিব পাৰে।

গ) দেশৰ নীতি নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত বিধানমণ্ডলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ৰাষ্ট্ৰপতিয়ে গ্ৰহণ কৰা নীতি, সন্ধি আদিত ছিনেটৰ অনুমোদনৰ দৰকাৰ হয়। গতিকে এইক্ষেত্ৰতো বিধানমণ্ডলে নিয়ন্ত্ৰণ কৰিব পাৰে।

ঘ) বাজেট অনুমোদনৰ ক্ষেত্ৰতো আমেৰিকাৰ কংগ্ৰেছে প্ৰশাসন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰিব পাৰে। বাজেটৰ ক্ষেত্ৰত কোন বিষয়ত কিমান খৰচ কৰিব সেই বিষয়ে কংগ্ৰেছে নিৰ্ধাৰণ কৰে। তদুপৰি চৰকাৰে খৰচ কৰা ধনৰ হিচাপ পৰীক্ষা কৰাৰ ব্যৱস্থাও আছে। গতিকে এনেবোৰ কাৰণৰ ফলত কংগ্ৰেছে প্ৰশাসনক নিয়ন্ত্ৰণ কৰিব পাৰে।

ঙ) শেষত, ৰাষ্ট্ৰপতিৰ স্বেচ্ছাচাৰিতাক কংগ্ৰেছে বাধা দিব পাৰে। অৰ্থাৎ কংগ্ৰেছে ৰাষ্ট্ৰপতিক পদচ্যুত কৰাৰ ক্ষমতাও লাভ কৰে। কংগ্ৰেছে যিকোনো স্বেচ্ছাচাৰী ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে মহাভিযোগ দাবী উত্থাপন কৰিব পাৰে।

ওপৰত উল্লিখিত বিভিন্ন উপায়েৰে ৰাষ্ট্ৰপতীয় শাসন ব্যৱস্থাত বিধানমণ্ডলে প্ৰশাসনক নিয়ন্ত্ৰণ কৰাৰ সুবিধা লাভ কৰে।

## প্ৰশাসনৰ ওপৰত কাৰ্যপালিকাৰ নিয়ন্ত্ৰণ (Executive Control over Administration) ঃ

প্ৰশাসনৰ ওপৰত কাৰ্যপালিকাৰ নিয়ন্ত্ৰণৰ বিষয়ে আলোচনা কৰিবলৈ লওঁতে আমি কাৰ্যপালিকাৰ বিষয়ে উল্লেখ কৰিছো। সংসদীয় পদ্ধতিৰ চৰকাৰ ব্যৱস্থা প্ৰচলন থকা দেশত দুইধৰণৰ কাৰ্যপালিকা থাকে। এই দুইধৰণৰ কাৰ্যপালিকা হ'ল নামমাত্ৰ কাৰ্যপালিকা আৰু প্ৰকৃত কাৰ্যপালিকা। এই কাৰ্যপালিকাৰ নিয়ন্ত্ৰণে প্ৰশাসনৰ ওপৰত প্ৰকৃত কাৰ্যপালিকাৰ নিয়ন্ত্ৰণক বুজায়। এই নিয়ন্ত্ৰণ বিভিন্ন প্ৰশাসন ব্যৱস্থাত বিভিন্নধৰণে দেখা যায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিচিনা দেশত ৰাষ্ট্ৰপতিয়েই হৈছে প্ৰকৃত কাৰ্যপালিকা। আমেৰিকাত ৰাষ্ট্ৰপতিয়ে প্ৰত্যক্ষভাৱে প্ৰশাসন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰিব পাৰে। কিন্তু গ্ৰেট ব্ৰিটেইন বা ভাৰতৰ নিচিনা দেশত এক অন্যধৰণৰ নিয়ন্ত্ৰণ দেখা যায়। এই দেশসমূহত শাসনৰ ক্ষমতা ৰাষ্ট্ৰপ্ৰধানৰ হাতত দিয়া থাকে; কিন্তু

ৰি বিধানমণ্ডলৰ অনুমোদন লোৱা হয়। কাৰ্যপালিকাই বাজেট প্ৰস্তুত কৰোতে য়ৰ উৎস আৰু ব্যয়ৰ শিতানবোৰ নিৰ্ণয় কৰি দিয়ে। গতিকে কোনো বিভাগৰ য়-ব্যয়ৰ শিতানবোৰ নিৰ্ভৰ কৰে কাৰ্যপালিকাৰ ওপৰত। প্ৰশাসন ব্যৱস্থাই এই জেটৰ মতেহে ধন খৰচ কৰিব পাৰে। ইয়াৰ উপৰি প্ৰশাসন ব্যৱস্থাই খৰচ কৰা ৰ হিচাপ পৰীক্ষা কৰা হয়। গতিকে দেখা যায় যে বাজেট ব্যৱস্থাৰ যোগেদিও ৰ্যপালিকাই প্ৰশাসন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰিব পাৰে।

**গ) বিষয়াৰ নিযুক্তি (Recruitment of Officers) ঃ** বিষয়া নিযুক্তিৰ ৰিয়তেও কাৰ্যপালিকাই প্ৰশাসন ব্যৱস্থা নিয়ন্ত্ৰণ কৰিব পাৰে। সাধাৰণতে নিযুক্তি ক্ৰিয়াৰ দায়িত্ব এক নিৰপেক্ষ সংগঠন অৰ্থাৎ লোকসেৱা আয়োগক দিয়া হয়। স্তু যিবিলাক পদবীৰ বাবে কৰ্মচাৰী প্ৰয়োজন আৰু এই কৰ্মচাৰীসকলৰ অৰ্হতা কেনেধৰণৰ হ'ব লাগে এই বিষয়টোত কাৰ্যপালিকাই সিদ্ধান্ত গ্ৰহণ কৰে। অৰ্থাৎ কাৰ্যপালিকাই নিৰ্ধাৰণ কৰা অৰ্হতাৰ ভিতৰতহে লোকসেৱা আয়োগে প্ৰাৰ্থী বাছনি কৰিব লাগে। এই লোকসেৱা আয়োগে প্ৰাৰ্থী বাছনি কৰি এখন তালিকা প্ৰস্তুত কৰি ৰকাৰৰ ওচৰত দাখিল কৰে আৰু চৰকাৰে সেই তালিকাভুক্ত প্ৰাৰ্থীসমূহক পদবীত নিযুক্তি দিয়ে। বিভাগীয় মন্ত্ৰীসকলে নিজৰ বাছনিমতে বিভিন্ন পদবীত নিযুক্তি দিব পাৰে। তদুপৰি কেতিয়াবা অসামৰিক সেৱাৰ লোকৰ চুপাৰিছ নোহোৱাকৈয়ে কিছুমান পদবীত ব্যক্তিক নিয়োগ কৰিব পাৰে। আকৌ কেতিয়াবা প্ৰথমে অস্থায়ীভাৱে নিযুক্তি দি পিচত স্থায়ীকৰণ কৰিবও পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতিয়ে নিজেই তলতীয়া কৰ্মচাৰীসকলক নিযুক্তি দিব পাৰে। অৱশ্যে এইক্ষেত্ৰত ছিনেটৰ অনুমোদন থাকিব লাগে। সাধাৰণতে ৰাষ্ট্ৰপতিৰ বিবেচনাক ছিনেটে বিৰোধিতা নকৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তেও কাৰ্যপালিকাই প্ৰশাসন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰিব পাৰে।

**ঘ) কাৰ্যপালিকাৰ বিধায়িনী ক্ষমতা (Legislative Powers of the Executives) ঃ** কাৰ্যপালিকাই বিধায়িনী ক্ষমতাৰ যোগেদি প্ৰশাসন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰিব পাৰে। বৰ্তমান সময়ত সকলো দেশৰ কাৰ্যপালিকাই বিধায়িনী ক্ষমতা প্ৰয়োগ কৰে। সংসদীয় ব্যৱস্থাত বিধানমণ্ডলৰ অনুমতিসাপেক্ষে কাৰ্যপালিকাই আইন প্ৰণয়ন কৰাৰ ক্ষমতা লাভ কৰে। আনকি ৰাষ্ট্ৰপতি শাসন ব্যৱস্থা প্ৰচলিত থকা দেশ যেনে আমেৰিকাতো কাৰ্যপালিকাই আইন প্ৰণয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিধানমণ্ডলে যদিও আইন প্ৰণয়ন কৰে এই আইনৰ কিন্তু পূৰ্ণাংগ ৰূপ কাৰ্যপালিকাই প্ৰদান কৰে। অৰ্থাৎ বিধানমণ্ডলে আইনৰ 'জকা'টোৱে

### লোক প্ৰশাসনৰ নিয়ন্ত্ৰণ (Control over Administration) ঃ

বৰ্তমান প্ৰশাসনৰ কাৰ্য আৰু দায়িত্ব বৃদ্ধি পাইছে। তদুপৰি কল্যাণকামী ৰাষ্ট্ৰসমূহে জনসাধাৰণক সহায় কৰিবৰ বাবে বিভিন্ন নীতি তথা পৰিকল্পনা গ্ৰহণ কৰিবলগীয়া হৈছে। যিকোনো ৰাষ্ট্ৰৰ পৰিবৰ্তন অনাৰ ক্ষেত্ৰত প্ৰশাসনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। সেয়ে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ থকা উচিত। প্ৰশাসন ব্যৱস্থাৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকিলে প্ৰশাসকসকল স্বেচ্ছাচাৰী হোৱাৰ সম্ভাৱনা থাকে। তেওঁলোকে তেতিয়া জনসাধাৰণৰ স্বাৰ্থতকৈ নিজ স্বাৰ্থক অধিক গুৰুত্ব দিব পাৰে। বৰ্তমান গণতন্ত্ৰত জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত বিধানমণ্ডলে প্ৰশাসনৰ দায়িত্ব বহন কৰে। বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ কাৰ্যপালিকাই বিধানমণ্ডলৰ সন্মতি আৰু অনুমোদন লৈ প্ৰশাসন কাৰ্য পৰিচালনা কৰে। সেয়ে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ বুলিলে কাৰ্যপালিকাৰ ওপৰত থকা নিয়ন্ত্ৰণক বুজা যায়। লোক প্ৰশাসনৰ নিয়ন্ত্ৰণৰ বিষয়ে আমি আলোচনা কৰিবলৈ লওঁতে লৰ্ড একটন (Lord Acton)-ৰ বিষয়ে উল্লেখ কৰিছো। তেওঁৰ মতে, ক্ষমতাই মানুহক শোষণত লিপ্ত কৰায়, ক্ষমতা বৃদ্ধি হোৱাৰ লগে লগে শোষণৰ পৰিমাণো বৃদ্ধি পায়। সেয়ে ক্ষমতা বৃদ্ধি হোৱাৰ লগে লগে নিয়ন্ত্ৰণৰ পৰিমাণো বৃদ্ধি হোৱা উচিত। অন্যথা ক্ষমতাৰ অপব্যৱহাৰ হোৱাৰ সম্ভাৱনা থাকে।

বৰ্তমান কোনো ৰাষ্ট্ৰৰ উন্নতিৰ বাবে বহুতো নতুন নতুন পৰিকল্পনা গ্ৰহণ কৰা হৈছে আৰু ইয়াৰ বাবে বহুতো ধন ব্যয় হৈছে। এই ৰাষ্ট্ৰীয় নিধিৰ যাতে অপচয় নহয় তাৰ প্ৰতি চোকা দৃষ্টি ৰখা অতি প্ৰয়োজন হৈ পৰে। এইখিনিতে আমি লোক প্ৰশাসনৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দুইজন ব্যক্তিৰ কথা উল্লেখ কৰিছো। লোক প্ৰশাসনৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মেডিছনে 'Federalist Papers'-খনত এইদৰে কয় যে লোক প্ৰশাসকসকল দেৱদূত হোৱা হ'লে তেওঁলোকক নিয়ন্ত্ৰণ কৰাৰ কোনো প্ৰয়োজন নহ'লহেঁতেন। বাস্তৱ ক্ষেত্ৰত সেইটো নহয়। লোক প্ৰশাসকৰ দায়িত্বহীনতাৰ প্ৰতি দৃষ্টি ৰাখি ফেলি' নিগ্ৰ'ৱে কয় যে অসাধুতা, নীতিজ্ঞানহীন আচৰণ, আইন মানি নচলা, সহকৰ্মীৰ সৈতে অন্যায় কৰা, সামাজিক দৃষ্টিভংগীৰ অভাৱ, অযোগ্যতা, উৎসাহহীন লোকে প্ৰশাসনযন্ত্ৰ অচল কৰি তুলিব পাৰে।

প্ৰশাসনৰ ওপৰত চলোৱা নিয়ন্ত্ৰণক প্ৰধানতঃ দুটা ভাগত ভাগ কৰা হৈছে। এই ভাগ দুটা হ'ল বাহ্যিক নিয়ন্ত্ৰণ (External Control) আৰু আভ্যন্তৰীণ নিয়ন্ত্ৰণ (Internal Control)। এই বাহ্যিক নিয়ন্ত্ৰণ বিভিন্ন দেশত বিভিন্নধৰণৰ হ'ব পাৰে। উদাহৰণস্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰত কাৰ্যপালিকা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ নহয়; সেয়েহে ইংলেণ্ড, ভাৰতবৰ্ষ আদি দেশত বিধানমণ্ডলে কাৰ্যপালিকাৰ ওপৰত



Scanned with CamScanner

ক্ষেত্ৰত বিধানমণ্ডলৰ অনু... প্ৰয়োজন হ'লে ৰাজ্যপাল...
অধিবেশন নাথাকিলে আইনৰ প্ৰয়োজন হ'লে ... আৰম্ভ হোৱাৰ নিৰ্দিষ্ট দিনৰ ভিতৰত
পাৰে। কিন্তু বিধানমণ্ডলৰ অধিবেশন আৰম্ভ হোৱাৰ নিৰ্দিষ্ট দিনৰ ভিতৰত বাতিল হৈ যায়। গতিকে
বিধানমণ্ডলে আইনত পৰিণত নকৰিলে সেই অধ্যাদেশ বাতিল হৈ যায়। গতিকে
দেখা যায় যে আইন ৰচনা কৰাৰ ক্ষেত্ৰত কাৰ্যপালিকাক বিধানমণ্ডলে নিয়ন্ত্ৰণ
সাব্যস্ত কৰিব পাৰে।

**গ) বাজেট আলোচনা (Budget Discussion) :** বাজেট আলোচনাৰ জৰিয়তেও বিধানমণ্ডলে নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে। প্ৰত্যেক বছৰতে বিভিন্ন কাৰ্য সম্পাদন কৰিবৰ বাবে বাজেট উত্থাপন কৰা হয় আৰু বিধানমণ্ডলে সেই বাজেটৰ অনুমোদন জনালেহে খৰচ কৰাৰ অধিকাৰ পায়। অৰ্থাৎ বাজেটৰ ধন খৰচ কৰিবৰ

দায়বদ্ধতাৰ ধাৰণাটো এফে অৰ্থবহে ...
ৰণা। দায়বদ্ধতাই চৰকাৰৰ সকলো কাৰ্যাৱলী সামৰি লয়। সেয়ে লোক প্ৰশাসনত দায়বদ্ধতা অপৰিহাৰ্য বিষয়। দায়বদ্ধ শব্দটো প্ৰথমে বিত্তীয় প্ৰশাসনত ইংৰাজী ভাষাত ১৫৮৩ চনতেই ব্যৱহাৰ হৈছিল। বৰ্তমান উন্নয়ন প্ৰশাসনৰ বিষয়ে আলোচনা কৰোঁতে এই দায়বদ্ধতাই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। সাধাৰণ অৰ্থত দায়বদ্ধতা বুলি ক'লে প্ৰশাসন ব্যৱস্থাই তেওঁলোকে সম্পাদন কৰা কাৰ্যাৱলীৰ বাবে জনসাধাৰণৰ ওচৰত দায়বদ্ধতা থকাটোকে বুজা যায়।

দায়বদ্ধতা আৰু দায়িত্ববোধ এই দুয়োটা শব্দ বহু সময়ত একে অৰ্থত ব্যৱহাৰ হ'লেও আকৌ ইয়াৰ মাজত পাৰ্থক্যও পৰিলক্ষিত হয়। দায়বদ্ধতাই বিধিগত দিশটোৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে আৰু আনহাতে দায়িত্ববোধে নৈতিক আৰু আদৰ্শগত তাৎপৰ্য বহন কৰে। দায়বদ্ধ বুলি ক'লে নিজৰ কামৰ বাবে দায়ী হোৱাকে বুজা যায়। Fedrick C. Mosher-এ তেওঁৰ বিখ্যাত গ্ৰন্থ 'গণতন্ত্ৰ আৰু লোকসেৱা' নামৰ দায়িত্ববোধৰ দুটা দিশৰ বিষয়ে উল্লেখ কৰিছে। প্ৰথমতে, কৰ্ম সম্বন্ধীয় দায়িত্ববোৰ কথা উল্লেখ কৰিছে। কৰ্ম সম্বন্ধীয় দায়িত্ববোধ মানে হৈছে কোনো ব্যক্তি বা সংগঠনৰ অন্য কৰ্তৃপক্ষৰ প্ৰতি থকা কৰ্ম সম্বন্ধীয় দায়িত্বশীলতাক বুজায়। দ্বিতীয়তে, তেওঁ দায়িত্ববোধৰ এক আত্মিক দিশৰ বিষয়ে উল্লেখ কৰিছে। সেইটো হ'ল ই কোনো ব্যক্তিৰ দায়িত্ববোধৰ আন্তৰিক উপলব্ধিক বুজায় আৰু ব্যক্তিৰ দায়িত্বশীল আচৰণ চালিত কৰে।

বৰ্তমান সময়ত প্ৰশাসনীয় দায়বদ্ধতাৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাৰ বিকাশৰ লগে লগে প্ৰশাসন ব্যৱস্থাত আমোলা আৰু বিষয়া-কৰ্মচাৰীসকলৰ কামৰ গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিলে। ফলস্বৰূপে এনে আমোলাসকলে কামৰ বোজাৰ দোহাই দি বহু সময়ত জনসাধাৰণক উপেক্ষা কৰা দেখা যায়। ফলস্বৰূপে প্ৰশাসন ব্যৱস্থাই যাতে কামৰ বোজাৰ দোহাই দি জনসাধাৰণক উপেক্ষা কৰিব নোৱাৰে তাৰ বাবে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ জাপি দি প্ৰশাসনৰ দায়বদ্ধতা আদায় কৰা হয়। বৰ্তমান সময়ত প্ৰশাসন ব্যৱস্থাৰ কামৰ বোজা বাঢ়ি যোৱাৰ লগে লগে বহুসংখ্যক কৰ্মচাৰীৰ প্ৰয়োজন আহি পৰিছে। আৰু তাৰ লগে



Scanned with CamScanner

নহয়।

ঘ) বিধানমণ্ডলৰ বেছিভাগ সদস্যই শাসকীয় দলৰ হোৱা হেতুকে অনাস্থা প্ৰস্তাৱ বা তিৰস্কাৰ প্ৰস্তাৱ আদি উত্থাপন হ'লেও তাক গৃহীত কৰা সম্ভৱ নহয়।

ঙ) বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। এনে সময়ত বিভিন্ন দায়িত্ব সম্পাদন কৰিবৰ বাবে কাৰিকৰী জ্ঞানৰ প্ৰয়োজন হয়। তদুপৰি বৰ্তমান সময়ত বিধানমণ্ডলৰ কাৰ্যৰ পৰিসৰ বৃদ্ধি হৈছে। গতিকে এনে সকলোবোৰ কাম সম্পাদন কৰিবৰ বাবে যথেষ্ট সময়ৰ দৰকাৰৰ হয়। সেয়ে এইধৰণৰ কিছুমান কাৰ্য সম্পাদন কৰিবৰ বাবে প্ৰশাসনীয় বিষয়াসকলৰ ওপৰত দায়িত্ব দিয়া হয়। এই ব্যৱস্থাই বিধানমণ্ডলে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাত বাধাৰ সৃষ্টি কৰে।

চ) বিধানমণ্ডলৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰিবৰ বাবে বিভিন্ন সংসদীয় কমিটী আছে যদিও সেইবোৰে মৰণোত্তৰ পৰীক্ষাহে কৰে। গতিকে এই কমিটীসমূহৰ জৰিয়তে বিধানমণ্ডলৰ নিয়ন্ত্ৰণ সাব্যস্ত নহয়।

ছ) প্ৰশাসন ব্যৱস্থাৰ বিৰুদ্ধে বিধানমণ্ডলৰ উদ্দেশ্য ৰাজনৈতিক বুলি ক'ব পাৰি। ইয়াৰ উদ্দেশ্য প্ৰশাসনৰ দক্ষতা বৃদ্ধি কৰা নহয়, চৰকাৰক অপসাৰণ কৰাহে। গতিকে গঠনমূলক সমালোচনা আগবঢ়োৱাৰ পৰিবৰ্তে বহু সময়ত সাংসদসকলে চৰকাৰৰ পতন ঘটোৱাৰ উদ্দেশ্যৰ দ্বাৰাহে পৰিচালিত হয়।

ওপৰৰ আলোচনাত প্ৰশাসন ব্যৱস্থাৰ ওপৰত বিধানমণ্ডলৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ ক্ষেত্ৰত বহুতো অসুবিধা পৰিলক্ষিত হ'লেও ইয়াৰ গুৰুত্বক একেবাৰে উলাই কৰিব নোৱাৰি। কিয়নো কাৰ্যপালিকাৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকিলে তেওঁলোক স্বেচ্ছাচাৰী বা দুৰ্নীতিপৰায়ণ হোৱাটো স্বাভাৱিক। গতিকে তেওঁলোকৰ ওপৰত নিয়ন্ত্ৰণ থকাটো আৱশ্যকীয়।

**ৰাষ্ট্ৰপতীয় চৰকাৰত বিধায়িনী নিয়ন্ত্ৰণ (Legislative Control in Presidential System)** ঃ সংসদীয় পদ্ধতিৰ চৰকাৰত যিদৰে বিধানমণ্ডলে কাৰ্যপালিকাক নিয়ন্ত্ৰণ কৰিব পাৰে ঠিক তেনেদৰে ৰাষ্ট্ৰপতীয় চৰকাৰী ব্যৱস্থাত বিধানমণ্ডলে কাৰ্যপালিকাক নিয়ন্ত্ৰণ কৰাৰ সুবিধা নাপায়। উদাহৰণস্বৰূপে, আমি আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিষয়ে ক'ব পাৰো। আমেৰিকা যুক্তৰাষ্ট্ৰত ক্ষমতাৰ পৃথকীকৰণ নীতিৰ ব্যৱস্থা আছে। এনে ৰাষ্ট্ৰপতীয় শাসন ব্যৱস্থাত মন্ত্ৰীসভাৰ সদস্যই বিধানমণ্ডলৰ অধিবেশনত উপস্থিত নাথাকে। গতিকে মন্ত্ৰীসভাৰ সদস্যসকলক প্ৰশ্ন সোধা, তিৰস্কাৰ প্ৰস্তাৱ বা অনাস্থা প্ৰস্তাৱ আদি উত্থাপন কৰিব পৰা নাযায়। তদুপৰি মন্ত্ৰীসভা বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ নহয়। এইবিলাক ব্যৱস্থা থাকিলেও আন কিছুমান উপায়ৰ দ্বাৰা আমেৰিকাৰ কংগ্ৰেছে প্ৰশাসনৰ ওপৰত নিয়ন্ত্ৰণ চলোৱাৰ সুবিধা লাভ



Scanned with CamScanner

লগে প্ৰশাসনৰ কাৰ্যাৱলীসমূহ সুচাৰুৰূপে পৰিচালিত কৰিবৰ বাবে বিভিন্ন কৰ্মচাৰীসকলৰ মাজত কামসমূহ বিতৰণ কৰি দিয়া হয়। গতিকে এনে হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰত্যেকজন কৰ্মচাৰীয়ে যাতে দায়বদ্ধতাৰে নিজৰ কাৰ্যসমূহ সম্পাদন কৰিব পাৰে সেই বিষয়ে চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে। প্ৰশাসনত বিভিন্ন ব্যৱস্থা অৱলম্বন কৰি এই দায়বদ্ধতা নিশ্চিত কৰা হয়।

দায়বদ্ধতাৰ ক্ষেত্ৰত প্ৰধানকৈ দুইধৰণৰ দায়বদ্ধতা থকা দেখা যায়। সেয়া হ'ল ৰাজনৈতিক দায়বদ্ধতা আৰু প্ৰশাসনীয় দায়বদ্ধতা। এই ৰাজনৈতিক দায়বদ্ধতা সংসদীয় গণতন্ত্ৰত পৰিলক্ষিত হয়। প্ৰশাসনৰ কাম-কাজৰ বাবে বিধানমণ্ডলৰ ওচৰত মন্ত্ৰী পৰিষদ দায়বদ্ধ হয়। জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবৰ বাবে যিবিলাক নীতি-নিয়ম গ্ৰহণ কৰিব লাগে, এই সকলোবোৰ দায়িত্ব মন্ত্ৰীসভাই বহন কৰিব লাগে। প্ৰশাসন ব্যৱস্থা পৰিচালনা কৰাৰ ক্ষেত্ৰত বহুতো ধনৰ প্ৰয়োজন হয়। ইয়াৰ কিছু পৰিমাণৰ ধন জনসাধাৰণৰ কৰৰ পৰা লোৱা হয়। গতিকে এই ধনৰ যাতে উচিত ব্যৱহাৰ হয় তাৰ প্ৰতি বিধানমণ্ডলে চোকা দৃষ্টি ৰাখিব লাগে। বিধানমণ্ডলে কোনো সিদ্ধান্ত অথবা আঁচনি গ্ৰহণ কৰোতে আঁচনিসমূহৰ প্ৰায়োজনীয়তা সম্বন্ধে নিশ্চিত হ'ব লাগে। তদুপৰি বিধানমণ্ডলে আলোচনা, বিল উত্থাপন, দাবী মঞ্জুৰি, প্ৰশ্নোত্তৰ কাল, আক্ৰমণ বেলা, সভা স্থগিত প্ৰস্তাৱ আদি বিভিন্ন উপায়েৰে কাৰ্যপালিকাক নিয়ন্ত্ৰণ কৰে।

প্ৰশাসনীয় দায়বদ্ধতাক আভ্যন্তৰীণ দায়বদ্ধতা বুলি ক'ব পাৰি। প্ৰশাসনীয় দায়বদ্ধতাই প্ৰশাসকসকলৰ সকলো কাৰ্য সামৰি লয়। নিজৰ নিজৰ কামৰ বাবে প্ৰশাসকসকল নিজ নিজ মন্ত্ৰণালয়ৰ মন্ত্ৰীৰ ওচৰত দায়বদ্ধ হয়।

বৰ্তমান যুগ হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। এই যুগত সামাজিক জীৱন বৰ জটিল হৈ পৰিছে। তদুপৰি বৰ্তমান সময়ত ৰাষ্ট্ৰৰ কাৰ্য আৰু দায়িত্বও বৃদ্ধি হৈছে। ফলস্বৰূপে পৰম্পৰাগত ব্যৱস্থাসমূহে প্ৰশাসকৰ দায়বদ্ধতা নিশ্চিত কৰাত ব্যৰ্থ হোৱাটো স্বাভাৱিক। গতিকে নিৰ্ভীক আৰু স্বাধীন প্ৰচাৰ মাধ্যম, বিধানমণ্ডলৰ চোকা দৃষ্টি, সতৰ্ক ন্যায়ালয়ৰ প্ৰয়োজনীয়তা বৃদ্ধি হোৱা দেখা যায়। ইয়াৰ লগে লগে প্ৰশাসনীয় পদ্ধতিৰ অনাৱশ্যকীয় জটিলতাসমূহ হ্ৰাস কৰা, লক্ষ্য বা উদ্দেশ্যৰ আধাৰত প্ৰশাসকৰ কাৰ্য মূল্যায়ন, প্ৰশিক্ষণ, পদোন্নতি আদিৰ সুব্যৱস্থা কৰি প্ৰশাসনিক দায়বদ্ধতা নিশ্চিত কৰিব পৰা যায়। তথ্য জনাৰ অধিকাৰ আইন, মুক্ত প্ৰশাসন, উৎকৃষ্ট পৰিচালনা আদিৰ জৰিয়তে প্ৰশাসনত দায়বদ্ধতা বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব পাৰি।